NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-08-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। ভাৰত আৰু ভিয়েটনামে দুয়ো দেশৰ মাজত সৰ্বাত্মক কৌশলগত সহযোগিতা সুদৃঢ় কৰাৰ উদ্দেশ্যে আজি দ্বিপাক্ষিক আলোচনাত মিলিত হয়।

২। কেন্দ্ৰীয় চৰকাৰে কৈছে যে, দেশত ৰে'ল দুৰ্ঘটনা ৰোধ কৰিবলৈ চৰকাৰ বদ্ধপৰিকৰ।

৩। ভাৰতীয় খেল প্ৰাধীকৰণৰ বিশেষ চিকিৎসা বীমা যোজনাৰ অধীনত সমগ্ৰ দেশৰ ১৩ হাজাৰৰো অধিক খেলুৱৈ, প্ৰশিক্ষক আৰু সহায়ক-কৰ্মচাৰীলৈ বীমা সুবিধা আগবঢ়োৱা হৈছে।

৪। চৰকাৰে পথ দুৰ্ঘটনাৰ বলি হোৱা লোকসকললৈ নগদ ধন ৰহিত চিকিৎসা প্ৰদান কৰিছে।

*আৰু*

৫। ভাৰতৰ স্বপ্নীল কুশালে পেৰিছ অলিম্পিকৰ ষষ্ঠ দিনা আজি পুৰুষৰ ৫০ মিটাৰ ৰাইফলৰ থ্ৰী পজিছন শিতানত দেশৰ হকে তৃতীয়টো ব্ৰঞ্জৰ পদক অৰ্জন কৰে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ভিয়েটনামৰ প্ৰধানমন্ত্ৰী ফাম মিন চিন্‌হৰ সৈতে আলোচনাত মিলিত হয়। আলোচনাৰ অন্তত দুয়োগৰাকী নেতাই ভাৰ্চুৱেল ব্যৱস্থাৰে ভিয়েটনামৰ ন্‌হা তৰাঙৰ দূৰ সংযোগ বিশ্ববিদ্যালয়ৰ সেনা ছফ্‌টৱেৰ উদ্যান মুকলি কৰে। ভাৰত আৰু ভিয়েটনামৰ মাজৰ সহযোগিতামূলক প্ৰকল্পৰ অধীনত এই উদ্যানখন নিৰ্মাণ কৰি উলিয়াইছে। ভাৰতে এই প্ৰকল্পৰ বাবে ৫০ লাখ ডলাৰৰ সাহায্য অনুদান আগবঢ়াইছে। দুয়ো পক্ষই সীমা শুল্ক, সামৰ্থ বৃদ্ধি, কৃষি গৱেষণা আৰু শিক্ষা, সামুদ্ৰিক ঐতিহ্য, ঔষধি গছ আৰু আইনী ক্ষেত্ৰত সহযোগিতাৰ বাবে কেইবাখনো বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। প্ৰসাৰ ভাৰতী আৰু ভইচ অফ ভিয়েটনামে ৰেডিঅ' আৰু টেলিভিচন ক্ষেত্ৰত সহযোগিতাৰ বাবে বুজাবুজিৰ চুক্তি সম্পাদন কৰে। দুয়োপক্ষই লগতে ভিয়েটনামৰ মায়ছোন ইউনেস্কʼ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ পুনৰুদ্ধাৰ চুক্তিতো স্বাক্ষৰ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁ প্ৰেছ বিবৃতিত কয় যে, বিগত ১০ বছৰত ভাৰত আৰু ভিয়েটনামৰ মাজৰ সম্পৰ্ক অধিক সম্প্ৰসাৰিত আৰু গভীৰ হৈ পৰিছে আৰু সৰ্বাত্মক কৌশলগত সহযোগিতাৰ ৰূপ লৈছে। উভয় দেশৰ মাজৰ দ্বিপাক্ষিক বাণিজ্য ৮৫ শতাংশ বৃদ্ধি পাইছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, বুদ্ধধৰ্মৰ উমৈহতীয়া ঐতিহ্যই দুয়োখন দেশৰ জনসাধাৰণক আধ্যাত্মিক পৰ্যায়ত সংযুক্ত কৰি ৰাখিছে। শ্ৰী মোদীয়ে কয় যে, ভিয়েটনামৰ যুৱ প্ৰজন্মই নালান্দা বিশ্ববিদ্যালয়ৰ সুবিধা গ্ৰহণ কৰা উচিত। এক্ট ইষ্ট নীতি আৰু ভাৰত-প্ৰশান্ত মহাসাগৰীয় দৃষ্টিভংগীৰ ক্ষেত্ৰত ভিয়েটনাম ভাৰতৰ গুৰুত্বপূৰ্ণ সহযোগি বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। শ্ৰী মোদীয়ে

কয় যে, ভাৰত আৰু ভিয়েটনামৰ মাজত স্বতন্ত্ৰ, মুক্ত, নিয়ম আধাৰিত আৰু সমৃদ্ধিশালী ভাৰত প্ৰশান্ত মহাসাগৰৰ বাবে সহযোগিতা অব্যাহত থাকিব। আজিৰ বৈঠকত দুয়ো পক্ষই পাৰস্পৰিক সহযোগিতাৰ সকলো ক্ষেত্ৰ আৰু ভৱিষ্যতৰ পৰিকল্পনা যুগুটাই উলিওৱাৰ বিভিন্ন পদক্ষেপ সম্পৰ্কে বিষদভাৱে আলোচনা কৰা বুলি শ্ৰী মোদীয়ে জানিবলৈ দিয়ে। প্ৰধানমন্ত্ৰীয়ে কয় যে, ভাৰতৰ ২০৪৭ চনৰ ভিতৰত দেশক বিকশিত উন্নত ৰাষ্ট্ৰৰূপে গঢ়িতোলাৰ দৃষ্টিভংগীক আৰু ভিয়েটনামৰ ২০৪৫ দৃষ্টিভংগীৰ বাবে দুয়োখন ৰাষ্ট্ৰৰ উন্নয়নৰ প্ৰক্ৰিয়াই গতি লাভ কৰিছে। তেওঁ কয় যে, ইয়াৰ ফলত পাৰস্পৰিক সহযোগিতা নতুন ক্ষেত্ৰত মুকলি হৈছে আৰু দুয়ো পক্ষই সৰ্বাত্মক কৌশলগত সহযোগিতা শক্তিশালী কৰাৰ বাবে নতুন কাৰ্যকৰী কল্পনা প্ৰস্তুত কৰি উলিয়াইছে। প্ৰতিৰক্ষা আৰু সুৰক্ষাৰ ক্ষেত্ৰৰ সহযোগিতাৰ বাবে নতুন পদক্ষেপ লোৱা হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, আজি সম্পাদিত ৩০ কোটি ডলাৰৰ ঋণ চুক্তিয়ে ভিয়েটনামৰ সামুদ্ৰিক সুৰক্ষা শক্তিশালী কৰি তুলিব। দুয়ো পক্ষই সন্ত্ৰাসবাদ আৰু চাইবাৰ সুৰক্ষা বিষয়ক সহযোগীতাত গুৰুত্ব আৰোপ কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয় যে, ভাৰত আৰু ভিয়েটনামে আছিয়ান-ভাৰত পণ্য সামগ্ৰি বাণিজ্য চুক্তিৰ পৰ্যালোচনা চলোৱাৰ বাবে আৰু পাৰস্পৰিক বাণিজ্যৰ সম্ভাৱনাৰ পূৰ্ণ ব্যৱহাৰৰ বাবে শীঘ্ৰে এই প্ৰক্ৰিয়া সম্পন্ন কৰাৰ বাবে সন্মতি প্ৰকাশ কৰিছে।

oooooooo

কেন্দ্ৰীয় চৰকাৰে কৈছে যে, দেশত ৰে'ল দুৰ্ঘটনা ৰোধ কৰিবলৈ চৰকাৰ বদ্ধপৰিকৰ আৰু ইউ পি এৰ শাসন কালৰ তুলনাত ৰে'ল দুৰ্ঘটনা ৬৮ শতাংশ হ্ৰাস পাইছে। লোকসভাত আজি ৰে'ল মন্ত্ৰ্যালয়ৰ দাবী মঞ্জুৰি সম্পৰ্কীয় আলোচনাৰ উত্তৰ দি ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, ইউ পি এৰ শাসন কালত ৰে'ল দুৰ্ঘটনাৰ বাৰ্ষিক গড় ১৭১ আছিল। সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে অধিক প্ৰয়াসৰ আৱশ্যকতা আছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে, ২০২২-২৩ বৰ্ষত সুৰক্ষাৰ বাবদ ৮৭ হাজাৰ কোটিৰো অধিক টকা ব্যয় কৰা হৈছে আৰু যোৱা বিত্তিয় বছৰত এই পৰিমাণ ৯৮ হাজাৰ কোটি টকাৰো অধিক হৈছে। এইবাৰৰ বাজেটত সুৰক্ষামূলক ব্যৱস্থাৰ বাবে এক লাখ আঠ হাজাৰ কোটি টকাৰ আৱণ্টন কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে, ব্যাপক পৰিসৰত স্বয়ংক্ৰিয় ৰে'ল সুৰক্ষা ব্যৱস্থা-কবচ প্ৰৱৰ্তন কৰাৰ বাবে দেশৰ প্ৰয়োজনীয় মানৱ সম্পদ আৰু সামৰ্থ আছে। ৰে'লৱেৰ উন্নয়নৰ বাবে গ্ৰহণ কৰা বিভিন্ন উদ্যমৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, ১০ হাজাৰ অতিৰিক্ত সাধাৰণ শ্ৰেণীৰ ডবা উৎপাদন কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে। তেওঁ কয় যে, চৰকাৰে অধিক অমৃত ভাৰত ৰে'লগাড়ী নিৰ্মাণ কৰাৰ সিদ্ধান্ত লৈছে। দুখন বৃহৎ চহৰৰ মাজত কম দূৰত্বৰ যাত্ৰাৰ সুবিধা প্ৰদানৰ উদ্দেশ্যে শীঘ্ৰে বন্দে মেট্ৰ' ৰে'ল সেৱা আৰম্ভ কৰা হ'ব বুলি মন্ত্ৰাগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, অনাগত সময়ত বন্দে ভাৰত, অমৃত ভাৰত, বন্দে মেট্ৰ' আৰু বন্দে শ্লীপাৰ ৰে'লগাড়ীসমূহে যাত্ৰী সুবিধা চকুত লগা ধৰণে বৃদ্ধি কৰিব। তেওঁ লগতে কয় যে, বৈদ্যুতিকীকৰণে দক্ষতা বৃদ্ধিত যথেষ্ট সহায় কৰিছে আৰু বিগত ১০ বছৰত ৪৪ হাজাৰ কিলোমিটাৰ ৰে'ল পথৰ বৈদ্যুতিকীকৰণ কৰা হৈছে।

ৰে'লৱেৰ নিযুক্তি অভিযান সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয় যে, ২০১৪ চনৰে পৰা ৰে'ল বিভাগে পাঁচ লাখৰো অধিক লোকক নিযুক্তি প্ৰদান কৰিছে। চলিত বৰ্ষৰ পৰা ৰে'ল বিভাগৰ নিযুক্তিৰ বাৰ্ষিক কেলেণ্ডাৰ আৰম্ভ কৰা হৈছে বুলি তেওঁ প্ৰকাশ কৰে। শ্ৰী বৈষ্ণৱে লগতে দৈনিক ২০ হাজাৰৰো অধিক ৰে'ল গাড়ীৰ পৰিচালনাৰ সৈতে জড়িত ২০ লাখ কৰ্মীক ধন্যবাদ জ্ঞাপন কৰে। মন্ত্ৰীগৰাকীয়ে লগতে কংগ্ৰেছ আৰু সমাজবাদী পাৰ্টীয়ে অযোধ্যা ৰে'ল

ষ্টেচনৰ বিষয়ে অপপ্ৰচাৰ চলোৱা বুলি অভিযোগ তোলে। শ্ৰী বৈষ্ণৱৰ উত্তৰত অসন্তুষ্ট হৈ বিৰোধীপক্ষৰ সদস্যসকলে সদনত হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি কৰে।

০০০০০০০০

ভাৰতীয় খেল প্ৰাধীকৰণৰ বিশেষ চিকিৎসা বীমা যোজনাৰ অধীনত সমগ্ৰ দেশৰ ১৩ হাজাৰৰো অধিক খেলুৱৈ, প্ৰশিক্ষক আৰু সহায়ক-কৰ্মচাৰীলৈ বীমা সুবিধা আগবঢ়োৱা হৈছে। ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই আজি ৰাজ্যসভাত এটা লিখিত উত্তৰত এই বিষয়ে জানিবলৈ দিয়ে। তেওঁ কয় যে, এনে বীমাৰ অধীনত প্ৰতিগৰাকী ব্যক্তিলৈ পাঁচ লাখ টকা পৰ্যন্ত স্বাস্থ্য বীমা আৰু আকস্মিক মৃত্যু অথবা গুৰুতৰ আঘাতৰ বাবে অতিৰিক্ত ২৫ লাখ টকা প্ৰদান কৰা হয়। ইয়াৰ উপৰি পণ্ডিত দিন দয়াল উপাধ্যায় ৰাষ্ট্ৰীয় খেলুৱৈ কল্যাণ কাৰ্যসূচী আঁচনিৰ অধীনত প্ৰাক্তন খেলুৱৈ আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্যসকলক  চিকিৎসাৰ বাবে ১০ লাখ টকালৈকে সাহায্য প্ৰদান কৰা হয়। তদুপৰি বিভিন্ন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা তথা প্ৰশিক্ষণৰ সময়ত আঘাতপ্ৰাপ্ত খেলুৱৈসকলক ১০ লাখ টকা পৰ্যন্ত সাহায্য প্ৰদান কৰা হয় বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০০

চৰকাৰে পথ দুৰ্ঘটনাৰ বলি হোৱা লোকসকললৈ নগদ ধন ৰহিত চিকিৎসা প্ৰদান কৰিছে। ৰাষ্ট্ৰীয় স্বাস্থ্য প্ৰাধীকৰণৰ সহযোগত চণ্ডীগড় আৰু অসমত পৰীক্ষামূলকভাৱে এনে চিকিৎসা প্ৰদান কৰা হৈছে। পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে আজি লোকসভা এটা লিখিত উত্তৰত এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে, পথ দুৰ্ঘটনাত বলি হোৱা লোকসকলক আয়ুষ্মাণ ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত তালিকাভুক্ত চিকিৎসালয়ৰ ট্ৰ'মা আৰু পলিট্ৰ'মা বিভাগত চিকিৎসা প্ৰদান কৰা হয়। ভুক্তভোগী লোকসকলক সাত দিনত ডেৰ লাখ টকা পৰ্যন্ত সাহায্য প্ৰদান কৰা হয় বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০০০

শেহতীয়া বানৰ ফলত প্ৰভাৱিত জিলাসমূহৰ তথ্য কেন্দ্ৰীয়ভাৱে তদাৰক কৰা হোৱা নাই। বান আৰু খহনীয়া প্ৰতিৰোধকে ধৰি বান ব্যৱস্থাপনা আঁচনিসমূহ সংশ্লিষ্ট ৰাজ্য চৰকাৰে অগ্ৰাধিকাৰৰ ভিত্তিত নিজৰ পুঁজিৰে ৰূপায়ণ কৰে। কেন্দ্ৰীয় চৰকাৰে কাৰিকৰী দিহা-পৰামৰ্শ আৰু জটিল এলেকাসমূহত বানৰ ব্যৱস্থাপনাৰ বাবে উদগণিমূলক বিত্তীয় সাহায্য প্ৰদান কৰে। জনশক্তি দপ্তৰৰ ৰাজ্য মন্ত্ৰী   ৰাজ ভূষনে আজি লোকসভাত এটা লিখিত উত্তৰত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, বান ব্যৱস্থাপনা আঁচনিৰ অধীনত সমগ্ৰ দেশতে ৩৫খন প্ৰকল্পৰ কাম চলি আছে। ইয়াৰে ভিতৰত অসমৰো এটা প্ৰকল্প আছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০০

ভাৰতৰ স্বপ্নীল কুশালে পেৰিছ অলিম্পিকৰ ষষ্ঠ দিনা আজি পুৰুষৰ ৫০ মিটাৰ ৰাইফলৰ থ্ৰী পজিছন শিতানত দেশৰ হকে তৃতীয়টো ব্ৰঞ্জৰ পদক অৰ্জন কৰে। ২৮ বছৰীয়া শুটাৰগৰাকীয়ে প্ৰ'ন ৰাউণ্ডত ১৫৬ দশমিক ৮, নিলিং ৰাউণ্ডত ১৫৩ দশমিক ৫ আৰু ষ্টেণ্ডিং ৰাউণ্ডত ১৯৫ পইণ্টেৰে তৃতীয় স্থান দখল কৰে। ইয়াৰ লগে লগে কুশালে পুৰুষৰ ৫০ মিটাৰ ৰাইফলৰ থ্ৰী পজিছন শিতানত অলিম্পিক পদক অৰ্জন কৰা দেশৰ প্ৰথমগৰাকী খেলুৱৈ ৰূপে পৰিগণিত হয়।

অৱশ্যে দুবাৰকৈ বিশ্ব চেম্পিয়নৰ খিতাপ অৰ্জন কৰা নিখাট জাৰিনে মহিলাৰ বক্সিঙৰ ৫০ কিলোগ্ৰাম ওজন শাখাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত এছিয়ান গেমছৰ চেম্পিয়ন বু যুৰ বিৰুদ্ধে পৰাজয় বৰণ কৰে। একেদৰে ভাৰত পুৰুষৰ হকীৰ গ্ৰুপ-বিৰ কোৱালিফায়াৰ খেলত  বেলজিয়ামৰ হাতত ২-১ গলত পৰাজিত হয়। ছিফ্‌ট কৌৰ আৰু অঞ্জুম মুডগিলে মহিলাৰ ৫০ মিটাৰ ৰাইফলৰ থ্ৰী পজিছন শিতানৰ যোগ্যতা নিৰ্দ্ধপণৰ ৰাউণ্ডৰ খেলত পৰাজয় বৰণ কৰিছে। সাত্বিকছাইৰাজ ৰণকীৰেড্ডী আৰু চিৰাগ চেট্টীৰ যুটীটোও বেডমিণ্টনৰ পুৰুষৰ ডাবলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত মালয়েছিয়াৰ আৰন ছিয়া আৰু শ্ব'হ ৰি য়িকৰ হাতত পৰাজয় বৰণ কৰে।  ইপিনে, পি ভি সিন্ধু, লক্ষ্য সেন আৰু এইছ্ এছ্ প্ৰণয় বেডমিণ্টনৰ ছিংগলছত নক-আউট পৰ্যায়ৰ খেলত অৱতীৰ্ণ হ'ব।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অলিম্পিকত ব্ৰঞ্জৰ পদক অৰ্জন কৰাৰ বাবে স্বপ্নলীন কুশালেক অভিনন্দন জনাইছে।

০০০০০০০০

সমাপ্ত